**অসম বিধান সভা**
**লিখিত প্ৰশ্ন নং- ২১৭**
**উত্তৰ দিয়াৰ তাৰিখ-১০/০৭/২০২৬**

বিষয়ঃ চিকিৎসালয় সম্পৰ্কে।

শ্ৰী বিকান চন্দ্ৰ ডেকা, মাননীয় বিধায়ক।

মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) টংলা ম'ডেল চিকিৎসালয় প্ৰকল্পৰ ভৌতিক আৰু আৰ্থিক অগ্ৰগতি কি আৰু সম্পূৰ্ণ হোৱাৰ সম্ভাব্য তাৰিখ কেতিয়া জনাব।

(খ) টংলা চিকিৎসালয় আৰু কলাইগাঁও ম'ডেল চিকিৎসালয়ৰ চিকিৎসক, নাৰ্চ আৰু আন কৰ্মচাৰীৰ অনুমোদিত সংখ্যা, খালী পদ আৰু বৰ্তমান অৱস্থা কি আৰু খালী পদ পূৰণৰ বাবে কি পদক্ষেপ লোৱা হৈছে? জনাব।

(গ) পানেৰি চিকিৎসালয় স্থানান্তৰ, উন্নীতকৰণ বা উন্নয়নৰ বাবে কোনো প্ৰস্তাৱ আছে নেকি? যদি আছে, তেন্তে তাৰ বিৱৰণ দিব।

**-উত্তৰ-**

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী অশোক সিংহল মহোদয়ে উত্তৰ দিব :

(ক) টংলা মডেল চিকিৎসালয় প্ৰকল্পৰ ভৌতিক অগ্ৰগতি ৬৫% আৰু প্ৰকল্পৰ কাম পুৰ্ণগতিত চলি আছে। আৰ্থিক অগ্ৰগতি হিচাপে এতিয়ালৈকে ৪,২৬,৩৪,৮০১.০০ টকাৰ বিল পৰিশোধ কৰা হৈছে। সম্ভৱত ৩১/১২/২০২৬ ত প্ৰকল্পৰ কাম শেষ হ'ব।

(খ) টংলা চিকিৎসালয় আৰু কলাইগাঁও মডেল চিকিৎসালয়ৰ চিকিৎসক, নাৰ্চ আৰু আন কৰ্মচাৰীৰ অনুমোদিত সংখ্যা, খালী পদ আৰু বৰ্তমান অৱস্থাৰ তথ্য তলত বিবৰণীত দিয়া হৈছে।

| | **টংলা চিকিৎসালয়** | **কলাইগাঁও মডেল চিকিৎসালয়** |
|---|---|---|
| মুঠ অনুমোদিত পদৰ সংখ্যা | চিকিৎসক : 5<br>নাৰ্চ : 7<br>আন কৰ্মচাৰী : 7 | চিকিৎসক : 9<br>নাৰ্চ : 7<br>আন কৰ্মচাৰী : 10 |
| বৰ্তমান কৰ্মৰত পদৰ সংখ্যা | চিকিৎসক : 3<br>নাৰ্চ : 6<br>আন কৰ্মচাৰী : 6 | চিকিৎসক : 4<br>নাৰ্চ : 6<br>আন কৰ্মচাৰীৰ : 7 |
| খালি পদৰ সংখ্যা | চিকিৎসক : 2<br>নাৰ্চ : 1<br>আন কৰ্মচাৰী : 1 | চিকিৎসক : 5<br>নাৰ্চ : 1<br>আন কৰ্মচাৰী : 3 |

(গ) পানেৰি চিকিৎসালয় স্থানান্তৰ, উন্নীতকৰণ বা উন্নয়নৰ বাবে বৰ্তমানলৈকে কোনো প্ৰস্তাৱ নাই।

--ooo---

বিঃদ্ৰঃ উত্তৰ NeVA ৱেবছাইটত আপলোড কৰা হৈছে ।